জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তিতম বছৰ, সংখ্যা ১৬১ ● মঙলবাৰ ● ৫ ফাগুন ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday February 18, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰপ

### 'অসমীয়া ভাষাৰ বৰ্ণাশুদ্ধি' শীৰ্ষক বক্তৃতানুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী

## 'অসমীয়া ভাষা পঢ়িও জগত জিনিব পাৰি'

লাহোৱাল ঃ নিজা সংবাদদাতা, ১৭ ফেব্ৰুৱাৰী ঃ 'অসমীয়া ভাষা পঢ়িও জগত জিনিব পাৰি। অসমীয়া ভাষা শুদ্ধকৈ ক'ব আৰু লিখিব পৰাটো একপ্ৰকাৰ কলা।' ডিব্ৰুগড় সাহিত্য সভা আৰু হনুমানবক্স' সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৰুক্মিণী কানৈ ছাত্ৰী নিবাসৰ সাহিত্য সংঘৰ যৌথ উদ্যোগত অনুষ্ঠিত 'অসমীয়া ভাষাৰ বৰ্ণাশুদ্ধি' শীৰ্ষক বিষয়ত বক্তৃতা দি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আজি এইদৰে কয়। ড° গোস্বামীয়ে কয় যে পৃথিৱীত কোনো এটা বিষয়েই সহজ নহয়। প্ৰতিটো বিষয়তেই গভীৰ অধ্যয়ন, দায়বদ্ধতা আৰু কঠোৰ পৰিশ্ৰম কৰিলেহে সেই বিষয়টোত সফলতা অৰ্জন কৰিব পাৰে। তেওঁ কয়— 'ভাষা এটা শিকা ইমান সহজ কথা নহয়। পৃথিৱীত কোনো ভাষাই ইমান সহজে শিকিব নোৱাৰি। তাৰ বাবে লাগিব ব্যাকৰণৰ সঠিক জ্ঞান।' ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয়- 'জ্ঞান-অৰ্জন কৰাটো ইমান সহজ নহয়। জ্ঞান-অৰ্জন কৰাটো যদি ইমান সহজ হ'লহেঁতেন, তেন্তে পৃথিৱীখনত সকলো মানুহেই জ্ঞানী হ'লহেঁতেন।' সভাপতি গৰাকীয়ে আৰু কয়— 'পৃথিৱীৰ কোনো ভাষাই কেতিয়াও স্থিৰ হৈ নাথাকে। যেতিয়া কোনো এটা ভাষা স্থিৰ হৈ থাকে তাৰ কোনো পৰিৱৰ্তন নহয়, তেতিয়াই সেই ভাষাটোৰ মৃত্যু হয়।' ছাত্ৰী চুনামী ধন্দিয়াই আঁত ধৰা অনুষ্ঠানত তেওঁ কয়— '৯ ৰ পৰা ১৪ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীসকলৰ সকলো ভাষাই আয়ত্ত কৰাৰ এক ক্ষমতা থাকে।' তেওঁ কয়— 'প্ৰতিটো শব্দৰ বাক্যত ব্যৱহাৰ কৰাৰ নিয়ম থাকে। সেই নিয়ম নাজানিলে বাক্যটো ভুল হোৱাৰ সম্ভাৱনা থাকে।' কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ দিয়া অনুষ্ঠানত ড° গোস্বামীয়ে কয়— 'ব্যাকৰণৰ নিয়ম আমি কেতিয়াও উলংঘা কৰিব নোৱাৰোঁ। ব্যাকৰণৰ নীতি-নিৰ্দেশনাসমূহ আমি মানি চলিব লাগিব। ইংৰাজী ভাষাৰ দৰে অসমীয়া ভাষাতো বহু নীতি-নিৰ্দেশনা আছে। যিসমূহ আমি কেতিয়াও এৰি চলিব নোৱাৰোঁ।' মাতৃভাষাক ভালপোৱা মানে নিজৰ মাতৃক ভালপোৱা বুলি উল্লেখ কৰি তেওঁ কয়— 'মহিমাময় অসমীয়া ভাষাৰ সংৰক্ষণৰ দায়িত্ব নতুন প্ৰজন্মই ল'ব লাগিব। নহ'লে অসমীয়া ভাষাৰ অতীত গৰিমা ভৱিষ্যতে নাথাকিবগৈ।' ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয়—'সামাজিক মাধ্যমৰ পৰা পোৱা তথ্যই কেতিয়াও জীৱন সলনি কৰিব নোৱাৰে, কাৰণ সামাজিক মাধ্যমৰ পৰা আমি সহজে লাভ কৰা তথ্যই আমাৰ চিন্তাশক্তি হ্ৰাস কৰে।' সভাপতি গৰাকীয়ে কয়—'পৃথিৱীৰ ভিতৰত অসমীয়া ভাষাটোৱেই আটাইতকৈ শুৱলা আৰু সুন্দৰ ভাষা। যি ভাষাই আমাৰ জীৱনটো জীৱন্ত কৰি তুলিব পাৰে।' অনুষ্ঠানত শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত উপস্থিত থাকি ইমান সুন্দৰকৈ অতি কম সময়ৰ ভিতৰত এনে এক সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু ডিব্ৰুগড় সাহিত্য সভাক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি কয়— 'যিসকল ছাত্ৰ-ছাত্ৰীয়ে পুথিভঁৰাল, গ্ৰন্থ, আলোচনী, বাতৰি কাকত আদিৰ লগত সম্পৰ্ক গঢ়ি তোলে তেওঁলোকে জীৱনত এক সুন্দৰ ব্যক্তিত্ব গঢ়ি তুলিব পাৰে।' ছাত্ৰী চয়নিকা বুঢ়াগোহাঁয়ে বক্তব্য আগবঢ়োৱা অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈ, সম্পাদক ৰাতুল গোহাঁই, সাংস্কৃতিক সম্পাদিকা বিউটী লেখাক, সহকাৰী সম্পাদক মিনাক্ষী দাস বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ ভাৰতী বৰুৱা দুৱৰা, লায়ন্স ক্লাব, ডিব্ৰুগড়ৰ সভাপতি ৰক্তিম গগৈ, মানকটা শাখা সাহিত্য সভাৰ প্ৰশান্ত শইকীয়া, কানৈ মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° জ্যোতি ফুকন, শিক্ষক ৰাহুল দাসকে ধৰি বিভিন্ন শাখা সাহিত্য সভাৰ বিষয়ববীয়া, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা ভাৰ্চী গগৈ, তৰ্ক বিভাগৰ সম্পাদিকা মামণি গগৈকে ধৰি ৰুক্মিণী কানৈ ছাত্ৰী নিবাস সাহিত্য সংঘৰ বিষয়ববীয়াসকলৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি বিশিষ্ট গল্পকাৰ জ্যোতি বৰগোহাঁয়ে। বক্তৃতানুষ্ঠানতে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক ডিব্ৰুগড় সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠানে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে আজিৰ এই অনুষ্ঠানতে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক অনুষ্ঠানৰ স্মৃতি বিজড়িত এখন স্থিৰ চিত্ৰ প্ৰদান কৰে।